**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-05-2026
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*

::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ব্ৰিকছ্ ৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰীসকলক সাক্ষাৎ কৰে।

২। ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছাৰ্গে লাভৰভে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে।

৩। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ জনোৱা সাতটা আহ্বানৰ সন্দৰ্ভত আজি মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

৪। চৰকাৰে এই বুলি অৱগত কৰিছে যে, দেশত পৰ্যাপ্ত পৰিমাণৰ খাদ্য তেল, ঘৰুৱা ৰন্ধন গেছ আৰু প্ৰাকৃতিক গেছৰ উপলভ্যতা নিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ক্ষন্তেক সময় পাছতে হ’বলগীয়া এখন খেলত পঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি হ’ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ব্ৰিকছ্ ৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰীসকলক সাক্ষাৎ কৰে। ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছাৰ্গেই লাভৰভ, ইৰাণৰ বৈদেশিক মন্ত্ৰী আব্বাছ্ আৰাঘাচী, দক্ষিণ আফ্ৰিকাৰ ৰোনাল্ড লামোলা আৰু ব্ৰাজিলৰ বৈদেশিক মন্ত্ৰী মৌৰো ভিয়েৰাৰ সৈতে শ্ৰী মোদী মিলিত হয়। নতুন দিল্লীত অনুষ্ঠিত ব্ৰিকছ্ ৰাষ্ট্ৰ গোষ্ঠীৰ বৈদেশিক মন্ত্ৰীসকলৰ সন্মিলনৰ সুযোগতে প্ৰধানমন্ত্ৰীগৰাকীক তেওঁলোকে সাক্ষাৎ কৰে। ইয়াৰ পূৰ্বে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে সন্মিলনৰ মুকলি ভাষণত কয়, যে বিশ্ব পৰ্যায়ত শান্তি আৰু সুৰক্ষা কেন্দ্ৰীভূত হৈছে। তেওঁ কয়, যে বৰ্তমানৰ সংঘাতসমূহ দূৰ কৰাৰ বাবে আলোচনা আৰু কূটনীতিত গুৰুত্ব দিব লাগিব। বৰ্তমানৰ জটিল পৰিস্থিতি আৰু অনিশ্চিত বিশ্বত আলোচনাৰ জৰিয়তে উন্নত বহনক্ষম বিকাশৰ নীতিৰে সমতা আৰু বিভিন্ন পাৰ্থক্য থকাৰ পাছতো এটা উমৈহতীয়া দায়বদ্ধতাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। তেওঁ সামগ্ৰিক বিকাশ আৰু সুপ্ৰশাসনৰ বাবে গোলকীয় পৰ্যায়ত প্ৰযুক্তিৰ উন্নীতকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ড০ জয়শংকৰে কয়, যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে সহযোগিতা সুদৃঢ় কৰাৰ ওপৰতো গভীৰভাৱে গুৰুত্ব আৰোপ কৰা উচিত। তেওঁ বৰ্তমানৰ সংঘাটপূৰ্ণ পৰিস্থিতি, অৰ্থনৈতিক অনিশ্চয়তা আৰু বাণিজ্য প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰত্যাহ্বানৰ মাজত ব্ৰিকছ ৰাষ্ট্ৰসমূহে গঠনমূলক আৰু সুস্থিৰ ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি গুৰুত্ব আৰোপ কৰে। ড০ জয়শংকৰে ব্ৰিকছৰ পৰিকাঠামোৰ অধীনত দেশশমূহৰ উপস্থিতি তথা সহযোগিতা সুদৃঢ় কৰি ৰখাৰ বাবে দেশসমূহৰ প্ৰতিনিধিসকলক ধন্যবাদ জনায়। সন্মিলনত ইন্দোনেছিয়া, মালয়েছিয়া, সংযুক্ত আৰব আমীৰি ৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰীসকলেও অংশগ্ৰহণ কৰে। এই  সন্মিলনৰ মূল বিষয় হৈছে- স্থিতিস্থাপকতা, উদ্ভাৱন, সহোগিতা

আৰু বহনক্ষমতাৰ বাবে নিৰ্মাণ। এই সন্মিলনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মানৱতা প্ৰথম আৰু ব্ৰিকছৰ বাবে জনতাকেন্দ্ৰিক দৃষ্টিভংগীৰ পৰা প্ৰেৰণা লাভ কৰে।

ooooo

ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী ছাৰ্গে লাভৰভে আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। বিগত বৰ্ষৰ ডিচেম্বৰত অনুষ্ঠিত ২৩ সংখ্যক ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত প্ৰধানমন্ত্ৰী মোডী আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ বৈঠকৰ পাছত দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতিৰ সন্দৰ্ভত আজি আলোচনা কৰা হয়। ৰাছিয়াৰ বৈদেশিক মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী মোদীৰ সৈতে ইউক্ৰেইন আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিকে ধৰি আঞ্চলিক আৰু গোলকীয় পৰ্যায়ৰ পাৰস্পৰিক বিষয়সমূহৰ সন্দৰ্ভত মত বিনিময় কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে এই বিষয়সমূহৰ সন্দৰ্ভত আলোচনা আৰু কূটনৈতিক সমাধানৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। শ্ৰী মোদীয়ে বিদেশ মন্ত্ৰীগৰাকীৰ জৰিয়তে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনলৈ শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰে।

ooooo

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ জনোৱা সাতটা আহ্বানৰ সন্দৰ্ভত আজি মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত সংবাদ মাধ্যমক জনোৱা অনুসৰি প্ৰধানমন্ত্ৰীগৰাকীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই মন্ত্ৰালয়ৰ তৰফৰ পৰা এবছৰলৈ সোণ ক্ৰয় নকৰাৰ সিদ্ধান্ত লোৱাৰ লগতে অতি প্ৰয়োজন নহ'লে বিদেশ ভ্ৰমণ নকৰাৰ সিদ্ধান্তও লোৱা হৈছে। শ্ৰী চৌহানে জনসাধাৰণক ৰাজহুৱা যাতায়াতৰ সুবিধা ল'বলৈ আহ্বান জনাই কয়, যে অতি শীঘ্ৰে কৃষি বিভাগৰ তৰফৰ পৰা কৃষকসকলৰ মাজত খেতিত সাৰ ব্যৱহাৰৰ সজাগতা সৃষ্টিৰ বাবে মন্ত্ৰালয়ৰ তৰফৰ পৰা ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

ooooo

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে ১৪ বিধ খাৰিফ শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধিত অনুমোদন জনোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰিছে। আজি নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি কৃষি মন্ত্ৰীগৰাকীয়ে কয়, যে এ গ্ৰেডৰ ধানৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ২হেজাৰ ৪৪১ টকা, হাইব্ৰিড জোৱাৰ ৪হাজাৰ ২৩ টকা, বৰ্জৰা ২হেজাৰ ৯০০ টকা আৰু প্ৰতি কুইণ্টল ৰহৰ দাইলত ৮হাজাৰ ৪৫০ টকা নিৰ্ধাৰণ কৰা হৈছে। চৰকাৰৰ এই সিদ্ধান্তই দেশৰ কৃষকসকলক যথেষ্ট উপকৃত কৰিব বুলিও কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি সংবাদমেলত প্ৰকাশ কৰিছে।

ooooo

অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই আজি নতুনকৈ শপত গ্ৰহণ কৰা ৰাজ্যৰ চাৰিগৰাকী মন্ত্ৰীক বিভিন্ন বিভাগৰ দায়িত্ব অৰ্পণ কৰে। সেই অনুসৰি, ৰামেশ্বৰ টেলীক ৰূপান্তৰ আৰু উন্নয়ন, শ্ৰম কল্যাণ, চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগ, অতুল বৰাক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তি ৰূপায়ণ, সীমা সুৰক্ষা আৰু উন্নয়ন তথা আৰকাৰী বিভাগৰ দায়িত্ব দিয়া হৈছে। একেদৰে, মন্ত্ৰী চৰণ বড়োক পৰিবহণ, বড়োলেণ্ড কল্যাণ বিভাগ আৰু অজন্তা নেওগক মহিলা আৰু শিশু বিকাশ, পৰ্য্যটন বিভাগৰ দায়িত্ব প্ৰদান কৰা হৈছে।

ooooo

নিৰ্বাচন আয়োগে দেশৰ ১৬ খন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয়শাসিত অঞ্চলত পৰ্যায়ক্ৰমে বিশেষ পুংখানুপুংখ পুনৰীক্ষণ অৰ্থাৎ এছ আই আৰৰ তৃতীয় পৰ্যায় আৰম্ভ কৰিব বুলি ঘোষণা কৰিছে। এই পৰ্যায়ত অন্তৰ্ভুক্ত

হোৱা ৰাজ্যসমূহ হৈছে— অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, ওড়িশা, ঝাৰখণ্ড, হাৰিয়ানা, পঞ্জাৱ, উত্তৰাখণ্ড, তেলেংগানা আৰু কৰ্ণাটক। একেদৰে কেন্দ্ৰীয়শাসিত অঞ্চল দিল্লী, চণ্ডীগড়, দাদৰা আৰু নগৰ হাৱেলী আৰু দমন আৰু ডিউত এছ্ আই আৰৰ তৃতীয় পৰ্যায় আৰম্ভ হ'ব। সমগ্ৰ দেশতে ভোটদাতাৰ সঠিক আৰু শেহতীয়া তথ্য সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ভোটাৰ তালিকাৰ পুনৰীক্ষণ প্ৰক্ৰিয়া হৈছে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ।

ooooo

চৰকাৰে এই বুলি অৱগত কৰিছে যে, দেশত পৰ্যাপ্ত পৰিমাণৰ খাৰুৱা তেল, ঘৰুৱা ৰন্ধন গেছ আৰু প্ৰাকৃতিক গেছৰ উপলভ্যতা নিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। নতুন দিল্লীত আজি পশ্চিম এছিয়াৰ বৰ্তমানৰ পৰিস্থিতি সন্দৰ্ভত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই কয়, যে দেশত ঘৰুৱা ৰন্ধন গেছৰ যোগান নিয়মীয়া হৈ আছে আৰু কোনো বিতৰণ প্ৰতিষ্ঠানতে ইয়াৰ নাটনি হোৱা নাই। তেওঁ কয়, যে শোধনাগাৰসমূহৰ কাৰ্যক্ষমতা বৃদ্ধি কৰা হৈছে আৰু ঘৰুৱা ৰন্ধন গেছৰ উপলভ্যতা বৃদ্ধি কৰা হৈছে। তেওঁ কয়, যে ৰন্ধন গেছৰ যোগান শৃংখলা যাতে ব্যাহত নহয়, তাৰ বাবে বাণিজ্যিক ৰন্ধন গেছৰ যোগান প্ৰায় ৭০ শতাংশলৈ বৃদ্ধি হৈছে। চলিত বৰ্ষৰ মাৰ্চলৈকে সাত লাখৰো অধিক ঘৰুৱা ৰন্ধন গেছৰ সংযোগ দিয়া হৈছে আৰু প্ৰায় সাত লাখ ৫০ হাজাৰ নতুন উপভোক্তাক পাইপযোগে ৰন্ধন গেছৰ সংযোগ প্ৰদান কৰা হৈছে। বিগত তিনিটা দিনত এক কোটি ৪০ লাখ ৰন্ধন গেছৰ বুকিং হোৱাৰ বিপৰীতে এক কোটি ৩৯ লাখ বিতৰণ কৰা হৈছে। চলিত মাহৰ প্ৰথম দিনটোত ৮৩ হাজাৰ ৫০০ টন বাণিজ্যিক ৰন্ধন গেছ বিক্ৰী কৰাৰ বিপৰীতে বিগত তিনিটা দিনত ২৩ হাজাৰ ৮২০ টন বিক্ৰী কৰা হৈছে।

বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ সচিব মুকেশ মংগলে কয়, যে ৯০ হাজাৰ মেট্ৰিকটন ঘৰুৱা ৰন্ধনগেছ পৰিবাহী দুখন জাহাজ যোৱা নিশা হৰমুজ প্ৰণালী অতিক্ৰম কৰিছে আৰু অহা ১৬ তাৰিখৰ ভিতৰত এই দুখন জাহাজ ভাৰতত আহি পোৱাৰ সম্ভাৱনা আছে।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড 'নাল্ড ট্ৰাম্প আৰু চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে আজি বেইজিঙত এখন বৈঠকত মিলিত হয় । দুয়োগৰাকী নেতাই বাণিজ্য, প্ৰযুক্তি আৰু আঞ্চলিক নিৰাপত্তা সন্দৰ্ভত উত্তেজনা থকাৰ সত্বেও সংঘাতৰ পৰিবৰ্তে সহযোগিতাৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি থকাৰ সময়ছোৱাত এই বৈঠকখনেই ট্ৰাম্পৰ প্ৰথমটো চীন ভ্ৰমণ হিচাপে চিহ্নিত হৈছে। হোৱাইট হাউছৰ তৰফৰ পৰা জনোৱা অনুসৰি শক্তিৰ মুক্ত প্ৰবাহক সমৰ্থন কৰিবলৈ হৰমুজ প্ৰণালী মুকলি হৈ থকা সন্দৰ্ভত দুয়োপক্ষই একমত হৈছে। বৈঠকৰ পিছত সংবাদমেল সম্বোধন কৰি চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে সংঘাতৰ পৰিবৰ্তে সহযোগিতা বৃদ্ধিৰ বিষয়ত গুৰুত্ব আৰোপ কৰি কয় যে চীন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ অংশীদাৰ হ'ব লাগে, প্ৰতিদ্বন্দ্বী নহয়। তেওঁ উল্লেখ কৰে যে

দুয়োখন ৰাষ্ট্ৰৰ পাৰ্থক্যতকৈ অধিক উমৈহতীয়া স্বাৰ্থ আছে। ট্ৰাম্পে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে আমেৰিকা-চীনৰ সম্পৰ্ক পূৰ্বতকৈ যথেষ্ট উন্নত হ 'ব। তেওঁ কয় যে আমেৰিকা যুক্তৰাষ্ট্ৰ চীনৰ সৈতে বাণিজ্য আৰু বিনিয়োগৰ সুযোগ সম্প্ৰসাৰণ কৰিবলৈ আগ্ৰহী।

ইৰাণৰ সংঘাত আৰু ৱাশ্বিংটনত বৃদ্ধি পোৱা ৰাজনৈতিক চাপৰ পটভূমিৰ বিৰুদ্ধেও এই আলোচনা অনুষ্ঠিত হৈছিল। তিনিদিনীয়া ভ্ৰমণসূচীৰে চীন ভ্ৰমণ কৰা আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে এনভিডিয়াৰ জেনছন হুয়াং, এপলৰ টিম কুক, টেস্লা আৰু স্পেসএক্সৰ ইলন মাস্ক, আৰু ব্লেকৰ'কৰ লেৰী ফিঙ্কৰ উপৰিও আমেৰিকাৰ কেইবাজনো শীৰ্ষ ব্যৱসায়িক নেতা উপস্থিত আছিল।

ট্ৰাম্পৰ চীন ভ্ৰমণৰ পূৰ্বে ইৰাণৰ বৈদেশিক মন্ত্ৰী আব্বাছ আৰাগচীয়ে যুদ্ধৰ পিছত প্ৰথমবাৰৰ বাবে বেইজিং ভ্ৰমণ কৰি চীনৰ বৈদেশিক মন্ত্ৰী ৱাং য়িৰ সৈতে আলোচনাত মিলিত হৈছিল।

০০০০০

মেনিলাত আজি সন্ত্ৰাসবাদ বিৰোধী দ্বিতীয় ভাৰত-ফিলিপাইন্স যুটীয়া কাৰ্যকৰী গোটৰ বৈঠকৰ সামৰণি পৰে। দুদিনীয়াকৈ অনুষ্ঠিত বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সন্ত্ৰাসবাদ বিৰোধী যুটীয়া সচিব ড০ বিনোদ বাহাড়ে আৰু ফিলিপাইনছৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ সহকাৰী সচিব মাৰ্চেল লুই এম আলফেৰেজে যু টীয়া অধ্যক্ষতা কৰে। দুয়ো পক্ষই সীমান্তৰ সীপাৰৰ সন্ত্ৰাসবাদৰ লগতে সকলো ধৰণৰ সন্ত্ৰাবাদী তথা কাৰ্যকলাপক কঠোৰভাৱে গৰিহণা দিয়ে। সন্ত্ৰাসবাদ বিৰোধী যুঁজত ভাৰতক দেশখনে সমৰ্থন কৰে বুলি সজোৰে উল্লেখ কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হিমাচল প্ৰদেশৰ ধৰমশালাত ক্ষন্তেক সময় পাছতে হ'বলগীয়া এখন খেলত পঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছ মুখামুখি হ'ব। মুম্বাই ইণ্ডিয়ানছে  টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লৈছে।

০০০০০

দুবাৰৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধু, ভাৰতৰ শীৰ্ষ পুৰুষৰ ডাবলছ যুটি সাত্বিক চাইৰাজ ৰঙ্কিৰেড্ডী আৰু চিৰাগ ছেট্টী আৰু তাৰকা শ্বাটলাৰ লক্ষ্য সেনে আজি আকৰ্ষনীয় জয়েৰে বেংককত চলি থকা থাইলেণ্ড অপেনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। পুৰুষৰ ছিংগলছত লক্ষ্য সেনে চীনৰ চেন জুয়ান ঝুক ২১-১২,২১-১৩ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত নিজৰ স্থান সুৰক্ষিত কৰে।

একেদৰে মহিলাৰ ছিংগলছত বিশ্বৰ ১২ নম্বৰ খেলুৱৈ পি.ভি সিন্ধুৱে নিজৰ সুন্দৰ ফৰ্ম অব্যাহত ৰাখি ডেনমাৰ্কৰ আমেলি স্কুলজ'ক মাত্ৰ ২৮ মিনিটতে ২১-১৩,২১-১৫ ত পইন্টত পৰাস্ত কৰে। প্ৰাক্তন বিশ্ব চেম্পিয়নগৰাকীয়ে আক্ৰমণাত্মক প্ৰদৰ্শনেৰে খেলখনত আধিপত্য বিস্তাৰ কৰিছিল। ইয়াৰ পূৰ্বে সিন্ধুৱে প্ৰথম ৰাউণ্ডত চীনা তাইপেইৰ টুং চিউ-টঙক ২১-৯,২১-১২ ব্যৱধানত পৰাস্ত কৰিছিল। সিন্ধুৱে এতিয়া কোৱাৰ্টাৰ ফাইনেলত বিশ্ব চেম্পিয়ন জাপানৰ আকানে ইয়ামাগুচিৰ মুখামুখি হ'ব। দুয়োগৰাকী খেলুৱৈৰ পূৰ্বৰ মুখামুখিৰ ভিত্তিত পি.ভি সিন্ধুৱে ১৫-১৩ ব্যৱধানৰ অগ্ৰগতিত আছে।ইফালে, শীৰ্ষ স্থানীয় ভাৰতীয় পুৰুষৰ ডাবলছ যুটি সাত্বিক আৰু চিৰাগে মালয়েছিয়াৰ ব্ৰায়ান জেৰেমি গুন্টিং আৰু মহম্মদ হাইকালক ২১-১২,২১-১৯ গেমত পৰাস্ত কৰি অন্তিম আঠত স্থান নিশ্চিত কৰিছে।

০০০০০

০০০০০

০০০০০

০০০০০

ঃঃ সমাপ্ত ঃঃ